# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 22-12-2025**

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত নিৰ্মীয়মান প্ৰকল্পস্থলী আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। তেওঁ লগতে অহা ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উদ্বোধন কৰিবলগীয়া বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট সকলক এই প্ৰকল্পৰ চূড়ান্ত পৰ্যায়ৰ কাম নিয়াৰিকৈ আৰু শীঘ্ৰে কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে গুৰুজনাৰ জন্মস্থানক ধৰ্মীয় আৰু সাংস্কৃতিক ক্ষেত্ৰ হিচাপে গঢ়ি তুলি পৰ্যটকক আকৰ্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰে দখলমুক্ত কৰা ১৬২ বিঘা ভূমিত ২১৭ কোটি টকা ব্যয়ৰে এই প্ৰকল্প নিৰ্মাণ কৰা হৈছে। ইয়াক বিশ্বৰ উচ্চতম গুৰু আসন, সত্ৰীয়া সংস্কৃতিৰ প্ৰতিফলিত কৰা বিভিন্ন কাৰুকাৰ্যসূচীত অতিথিগৃহ, দেৱবাদ্য তালৰ আৰ্হিত কলাকেন্দ্ৰ, খোলৰ আৰ্হিত গৱেষণা কেন্দ্ৰ, নাৱৰ আৰ্হিত কৌশল বিকাশ কেন্দ্ৰ আৰু জাপিৰ আৰ্হিত নাট ঘৰকে ধৰি বিভিন্ন সমলেৰে সমৃদ্ধ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পস্থলী পৰিদৰ্শনৰ পাছত সাংবাদিকৰ আগত কয়, যে গুৰুজনাৰ স্মৃতি বিজড়িত এই স্থানৰ পৱিত্ৰতা আৰু গৌৰৱক পুনৰুদ্ধাৰ কৰাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত আজি সংঘটিত হিংসাত্মক ঘটনা নিশাৰ ভাগলৈও অব্যাহত আছে। প্ৰতিবাদকাৰীসকলে বিভিন্ন স্থানত দোকান-পোহাৰ জ্বলাই চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি আজি নিশাৰ ভিতৰতে বিষয়টো সমাধানৰ চেষ্টা কৰা হ'ব। পৰিস্থিতি নিৰীক্ষণৰ বাবে ঘটনাস্থলীলৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু ৰাওনা হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এটা উৰা বাতৰিক কেন্দ্ৰ কৰি স্থানীয় লোকসকল উত্তেজিত হৈ পৰিছিল। উল্লেখযোগ্য যে পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা অবৈধ দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থাকে ধৰি কেইবাটাও কাৰ্বি জাতীয় সংগঠনে আমৰণ অনশন কাৰ্যসূচী ৰূপায়ণ কৰিছিল। ইয়াৰ কেইজনমান প্ৰতিবাদকাৰী অনশনস্থলীত অসুস্থ হৈ পৰাত আৰক্ষীয়ে তেওঁলোকক জি এম চি এইচলৈ প্ৰেৰণ কৰে। অসুস্থ লোককেইগৰাকীক চিকিৎসালয়ে প্ৰেৰণ কৰা খবৰটো আৰক্ষীয়ে তেওঁলোকক আটক কৰা বুলি প্ৰচাৰ হয়।

ইয়াৰ পিছতে এই প্ৰতিবাদে হিংসাত্মক ৰূপ ধাৰণ কৰে।একাংশ প্ৰতিবাকাৰীয়ে কাৰ্বি আলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ বাসগৃহত অগ্নিসংযোগ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে দখলদাৰী লোকসকলক উচ্ছেদ কৰাৰ ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে বাধা আৰোপ কৰি থৈছে। সেয়ে ন্যায়ালয়ৰ ৰায়দানৰ বিৰুদ্ধে গৈ উচ্ছেদ কৰাটো চৰকাৰৰ বাবে সম্ভৱ নহয়। এই সন্দৰ্ভত শীঘ্ৰে এক সমাধান সূত্ৰ ওলাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে আন্দোলনকাৰীসকলৰ সৈতে তেওঁ নিজেও আলোচনাত মিলিত হ'ব। এই সন্দৰ্ভত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে কয় যে সকলো সমস্যা আলোচনাৰ মাধ্যমেৰে সমাধান কৰিব পাৰি। এই সমস্যাটো সন্দৰ্ভত আলোচনাৰ বাবে প্ৰতিবাদকাৰীসকলক আমন্ত্ৰণ জনোৱা হৈছিল।

**ৰাইট**

০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক হত্যাকাণ্ডৰ ঘটনাৰে জড়িত ৭ অভিযুক্তৰ হৈ ওকালতি কৰিবৰ বাবে আৰু দুগৰাকী অতিৰিক্ত অধিবক্তাক কামৰূপ জিলা আৰু ছেছন আদালতে নিযুক্তিৰ নিৰ্দেশ দিছে। অধিবক্তা প্ৰবীন কুমাৰ শৰ্মা আৰু অমিতাভ বৰুৱাক অভিযুক্তৰ হৈ ওকালতি কৰিবৰ বাবে নিযুক্তি দিয়া হৈছে। দুয়োগৰাকী অধিবক্তাই ইতিমধ্যে জিলা আইন সেৱা প্ৰাধিকৰণে নিযুক্তি দিয়া অধিবক্তা ধ্ৰুৱজ্যোতি দাসক সহযোগ কৰিব। উল্লেখযোগ্য যে আজি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত প্ৰথমটো শুনানি গ্ৰহণ কৰা হয়। শুনানিত আদালতৰ পূৰ্বৰ নিৰ্দেশ অনুসৰি বাক্সাৰ জিলা কাৰাগাৰৰ পৰা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ লগতে হাফলং উপ-কাৰাগাৰৰ পৰা শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক ভাৰ্চুৱেল ব্যৱস্থাৰে আদালতত হাজিৰ কৰোৱা হয়। আদালতে এই গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন অহা ৩ জানুৱাৰী ধাৰ্য কৰিছে। সেইদিনা অভিযুক্তকেইজনৰ ওপৰত গোচৰৰ ধাৰা আৰোপ সন্দৰ্ভত আদালতে শুনানি গ্ৰহণ কৰিব। আজি শুনানিকালত কোনো এগৰাকী অভিযুক্তৰ হৈ জামিন আবেদন দাখিল হোৱা নাই বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ইফালে এই ঘটনাৰ অন্যতম অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ পৰিয়ালে গোচৰৰ ওকালতি কৰিবৰ বাবে গেব্ৰিয়েল চাহু নামৰ এগৰাকী অধিবক্তাক নিয়োগ কৰিছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**